**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2025 **Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মঙলবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে ছৌডি আৰবলৈ যাব।

২। ভাৰতৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ আৰ্যভট্টই আজি ৫০ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰাচীন ভাৰতৰ প্ৰখ্যাত গণিতজ্ঞ আৰু জ্যোতিৰ্বিজ্ঞানী আৰ্যভট্টৰ নামত ১৯৭৫ চনৰ আজিৰ দিনটোতেই কৃত্ৰিম উপগ্ৰহটো মহাকাশলৈ উৎক্ষেপণ কৰা হৈছিল।

৩। ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা, এন টি এই আজি পুৰা চলিত বছৰৰ সংযুক্ত প্ৰৱেশ পৰীক্ষা, জে ই ইৰ দ্বিতীয় পৰ্যায়ৰ মূল পৰীক্ষাৰ ফলাফল ঘোষণা কৰে।

*আৰু*

৪। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

000000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী মঙলবাৰে দুদিনীয়া ভ্ৰমণসূচীৰে ছৌডি আৰবলৈ যাব। দেশখনৰ যুৱৰাজ আৰু প্ৰধানমন্ত্ৰী প্ৰিন্স মহম্মদ বীন ছলমনৰ আমন্ত্ৰণ ক্ৰমে শ্ৰী মোদী ছৌডি আৰবলৈ যাব। বৈদেশিক পৰিক্ৰমা মন্ত্ৰ্যালয়ে এটা বিবৃতিত আজি উল্লেখ কৰা অনুসৰি প্ৰধানমন্ত্ৰী মোদীৰ এয়া হ'ব তৃতীয়টো ছৌডি আৰব ভ্ৰমণ। ইয়াৰ পূৰ্বে তেওঁ ২০১৬ আৰু ২০১৯ চনত দেশখনলৈ গৈছ্ঠিল। ইয়াৰ পাছতে ২০২৩ চনৰ ছেপ্তেম্বৰত জি-২০ শীৰ্ষ সন্মিলনত যোগ দিবলৈ প্ৰিন্স ছলমন ভাৰতলৈ আহিছিল।

ভাৰত আৰু ছৌডি আৰবৰ মাজত সামাজিক, সাংস্কৃতিক ঐৰি বাণিজ্যৰ ক্ষেত্ৰত দীৰ্ঘদিনীয়া বন্ধুত্ব আছে। দুয়োখন দেশে ৰাজনৈতিক, প্ৰতিৰক্ষা, সুৰক্ষা, বাণিজ্য, বিনিয়োগ শক্তি, প্ৰযুক্তি, স্বাস্থ্য, শিক্ষা, সংস্কৃতি আজি বিভিন্ন ক্ষেত্ৰত দ্বিপাক্ষিক সম্বন্ধ বৰ্তাই আহিছে। প্ৰধানমন্ত্ৰীৰ এই ভ্ৰমণে দুয়োখন দেশৰ দ্বিপাক্ষিক সম্পৰ্ক অধিক গভীৰ আৰু শক্তিশালী কৰি তুলিব বুলি আশা কৰা হৈছে।

000000000

ভাৰতৰ প্ৰথমটো কৃত্ৰিম উপগ্ৰহ আৰ্যভট্টই আজি ৫০ বছৰ সম্পূৰ্ণ কৰিছে। প্ৰাচীন ভাৰতৰ প্ৰখ্যাত গণিতজ্ঞ আৰু জ্যোতিৰ্বিজ্ঞানী আৰ্যভট্টৰ নামত ১৯৭৫ চনৰ আজিৰ দিনটোতেই কৃত্ৰিম উপগ্ৰহটো মহাকাশলৈ উৎক্ষেপণ কৰা হৈছিল। ভাৰতীয় মহাকাশ গৱেষণা সংস্থাই নিৰ্মাণ কৰা উপগ্ৰহটো তেতিয়াৰ ছোভিয়েট ৰাছিয়াৰ সহযোগত কাপুষ্টিন য়াৰৰ পৰা মহাকাশলৈ পঠিওৱা হৈছিল। সৌৰ পদাৰ্থ বিজ্ঞান, বায়ু বিদ্যা আৰু এক্স-ৰে' জ্যোতিৰ্বিদ্যাকে ধৰি অন্যান্য কেইবাটাও ক্ষেত্ৰৰ অধ্যয়নৰ বাবে উপগ্ৰহটো উৎক্ষেপন কৰা হৈছিল। প'লিহেড্ৰ'নেৰে তৈয়াৰ কৰা এক দশমিক চাৰি মিটাৰ ব্যাসৰ আৰ্যভট্টৰ ওজন আছিল ৩৬০ কিলোগ্ৰাম। উপগ্ৰহটোৰ ওপৰ আৰু তলৰ ফালৰ বাহিৰে বাকী ২৪টা ৰন্ধ্ৰক সৌৰ পেনেলেৰে ঢকা হৈছিল।

নিৰ্দিষ্ট কক্ষপথত ৫ দিন থকাৰ পাছত আৰ্যভট্ট নিয়ন্ত্ৰণ কক্ষৰ পৰা বিচ্ছিন্ন হৈ গৈছিল। উপগ্ৰহটোৰ পৰা কেতবোৰ মূল্যবান তথ্য পোৱা গৈছিল আৰু বিজ্ঞানীসকলে কৃত্ৰিম উপগ্ৰহ বিকাশ সন্দৰ্ভত গুৰুত্বপূৰ্ণ অভিজ্ঞতা লাভ কৰিছিল। বিচ্ছিন্ন হোৱাৰ পাছতো কেইবাদিনলৈকে উপগ্ৰহটোৱে তথ্যৰ সৰবৰাহ কৰি আছিল।

আৰ্যভট্ট মহাকাশ অভিযানত ভাৰতৰ আত্মপ্ৰকাশ আছিল আৰু ই দেশৰ ভৱিষ্যতৰ মহাকাশ অভিযানসমূহৰ ভিত্তি স্থাপন কৰিছিল। আৰ্যভট্টৰ সফল উৎক্ষেপণৰ জৰিয়তে ভাৰত মহাকাশৰ নিৰ্দিষ্ট কক্ষপথত কৃত্ৰিম উপগ্ৰহ স্থাপন কৰা বিশ্বৰ একাদশ সংখ্যক দেশ হিচাপে পৰিগণিত হৈছিল।

০০০০০০০০০

ভাৰতৰ ঔষধজাতীয় সামগ্ৰী ৰপ্তানীৰ যোৱা বিত্তীয় বৰ্ষত তিনি হেজাৰ কোটি ডলাৰ অতিক্ৰম কৰিছে। দেশৰ ঔষধজাতীয় সামগ্ৰীৰ সামগ্ৰিক ৰপ্তানিৰ এক তৃতীয়াংশতকৈও অধিক ক্ৰয়েৰে আমেৰিকা যুক্তৰাষ্ট্ৰ ভাৰতৰ মুখ্য বজাৰ হিচাপে পৰিগণিত হৈছে। চৰকাৰি বাণিজ্যিক তথ্য অনুসৰি ২০২৪-২৫ বিত্তীয় বৰ্ষত ঔষধজাতীয় সামগ্ৰী ৰপ্তানি, ২০২৩-২৪ বিত্তীয় বছৰৰ ২ হেজাৰ ৭৫০ কোটি ডলাৰৰ তুলনাত ৯ শতাংশ বৃদ্ধি হৈছে। চলিত বছৰৰ মাৰ্চত এই ৰপ্তানি বছৰি ৩০ শতাংশ বৃদ্ধি হোৱা বুলি নথিভুক্ত কৰা হৈছে আৰু এই পৰিমাণ ৩৬৮ কোটি ১০ লাখ ডলাৰ হৈছেগৈ। যোৱাটো বিত্তীয় বৰ্ষৰ মাৰ্চত এই পৰিমাণ ২৮০ কোটি ৬ লাখ ডলাৰহে আছিল। ইপিনে আমেৰিকা যুক্তৰাষ্ট্ৰলৈ কৰা ৰপ্তানিৰ পৰিমাণ ২০২৪-২৫ বৰ্ষত ১৪ শতাংশ বৃদ্ধি হৈছে। ব্ৰিটেইন, ব্ৰাজিল, ফ্ৰান্স আৰু দক্ষিণ আফ্ৰিকা যোৱা বিত্তীয় বৰ্ষত ভাৰতৰ ঔষধজাতীয় সামগ্ৰীৰ ৰপ্তানি কৰা দেশসমূহৰ ভিতৰত শীৰ্ষত আছে।

০০০০০০০০০

বিগত ১০ বছৰত দেশৰ বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণ ৫ গুণ বৃদ্ধি হৈছে বুলি কেন্দ্ৰীয় ইলেকট্ৰনিকছ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী অশ্বিনী বৈষ্ণৱে প্ৰকাশ কৰিছে। হাৰিয়ানাৰ গুৰুগ্ৰামৰ মানেশ্বৰত কালি সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰীবৈষ্ণৱে কয়, যে মেক-ইন-ইণ্ডিয়া উদ্যমৰ বাবে বৈদ্যুতিন সামগ্ৰীৰ নিৰ্মাণ খণ্ডত চকুত লগা এই বৃদ্ধি দেখা গৈছে। বিগত ১০ বছৰত বৈদ্যুতিন সামগ্ৰীৰ ৰপ্তানি ৬ গুণ বৃদ্ধি হৈ ৩ লাখ ২৫ হাজাৰ কোটি টকা অতিক্ৰম কৰিছে বুলিও তেওঁ লগতে প্ৰকাশ কৰে। শ্ৰীবৈষ্ণৱে কয়, যে এই খণ্ডটোত বৰ্তমান প্ৰায় ২৫ লাখ লোক নিয়োজিত হৈ আছে। শেহতীয়াকৈ চৰকাৰে বৈদ্যুতিন উপাদান নিৰ্মাণ আঁচনিত অনুমোদন দিছে আৰু এই সিদ্ধান্তই পৰিৱেশ অনুকূল বৈদ্যুতিন সামগ্ৰী নিৰ্মাণখণ্ডক শক্তিশালী কৰি তোলাৰ লগতে নতুন নিয়োগৰ সুযোগ সৃষ্টি কৰিব।

শ্ৰীবৈষ্ণৱে কয়, যে সামগ্ৰীৰ মান আৰু সুৰক্ষা ব্যৱস্থাৰ বাবে দেশৰ বৈদ্যুতিন সামগ্ৰীৰ উৎপাদন খণ্ডত সমগ্ৰ বিশ্বৰ বিশ্বাস আৰু আস্থা বৃদ্ধি হৈছে। সামগ্ৰীসমূহৰ আৰ্হি, নিৰ্মাণ, দক্ষতা আৰু বিশ্বাসযোগ্য উদ্ভাৱনৰ ক্ষেত্ৰত দেশৰ সংহত প্ৰচেষ্টাৰ জৰিয়তে শীঘ্ৰেই ভাৰতে বিশ্বক নেতৃত্ব দিবলৈ সমৰ্থ হ'ব বুলিও তেওঁ লগতে উল্লেখ কৰে।

০০০০০০০০০

ৰাষ্ট্ৰীয় পৰীক্ষা সংস্থা, এন টি এই আজি পুৱা চলিত বছৰৰ সংযুক্ত প্ৰৱেশ পৰীক্ষা, জে ই ইৰ দ্বিতীয় পৰ্যায়ৰ মূল পৰীক্ষাৰ ফলাফল ঘোষণা কৰে। এইবাৰ মুঠ ২৪ গৰাকী শিক্ষাৰ্থীয়ে বি ই আৰু বি টেকৰ প্ৰথম প্ৰশ্নকাকতত এন টি এৰ সম্পূৰ্ণ নম্বৰ এশ এশকৈ লাভ কৰিছে। শীৰ্ষ স্থান লাভ কৰা শিক্ষৰ্থীসকল হৈছে– ৰাজস্থানৰ এম ডি আনছ আৰু আয়ুষ সিংহল, দিল্লীৰ দক্ষ আৰু হৰ্ষ ঝা, পশ্চিমবংগৰ দেৱদত্ত মাঝি আৰু মহাৰাষ্ট্ৰৰ আয়ুষ ৰবি চৌধাৰী। ফলাফলসমূহ জে ই ইৰ মুখ্য ৱেবছাইট

jeemain.nta.nic.inত উপলব্ধ হৈছে। এইবাৰৰ পৰীক্ষাত জে ই ই মুখ্য প্ৰশ্নকাকতৰ পৰীক্ষাত মুঠ ৯ লাখ ৯২ হাজাৰ ৩৫০ গৰাকী শিক্ষাৰ্থী অৱতীৰ্ন হৈছিল। এইবাৰৰ মূল পৰীক্ষা জানুৱাৰী আৰু এপ্ৰিলত দুটা পৰ্যায়ত অনুষ্ঠিত হৈছিল।

০০০০০০০০০

পশ্চিমবংগৰ ৰাজ্যপাল চি ভি আনন্দ বসুৱে আজি পৰিস্থিতিৰ পৰ্যৱেক্ষণ কৰাৰ বাবে মুৰ্ছিদাবাদ জিলাৰ ছমছেৰগঞ্জলৈ যাব আৰু হিংসাপীড়িত লোকসকলৰ সৈতে মত বিনিময় কৰিব। আমাৰ সংবাদদাতাই জনোৱা অনুসৰি ছমছেৰগঞ্জৰ বাসিন্দাসকলে হাতে হাতে প্লে-কাৰ্ড লৈ ৰাজ্যপালৰ আগমনৰ বাবে অপেক্ষা কৰি আছে। স্থানীয় বাসিন্দাসকলে ৰাজ্যিক আৰক্ষীৰ ওপৰত তেওঁলোকৰ বিশ্বাস  হেৰাই যোৱা বুলি উল্লেখ কৰি অঞ্চলটোৰ গাঁওসমূহত কেন্দ্ৰীয় বাহিনীৰ শিবিৰ স্থাপন দাবী কৰিছে।

০০০০০০০০০

জনসাধাৰণক তেলজাতীয় সামগ্ৰীৰ অধিক ব্যৱহাৰ পৰিহাৰ কৰি এটা সুস্থ জীৱনশৈলী গঢ়ি তোলা আৰু যকৃতৰ বিভিন্ন ৰোগ সম্পৰ্কে সজাগ আৰু সতৰ্ক কৰাৰ উদ্দেশ্যে আজি বিশ্বজুৰি যকৃত দিৱস পালন কৰা হৈছে। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে ভাৰতত মৃত্যুৰ ১০ টা মূল কাৰণৰ ভিতৰত যকৃতৰ ৰোগো এটা অন্যতম মূল কাৰণ। হেপাটাইটিচ বি, চি আৰু হেপাট'চেলুলাৰ কাৰ্চিন'মাৰ দৰে ৰোগসমূহ সাধাৰণতে মাদক দ্ৰব্যৰ অত্যাধিক সেৱন, অসুস্থ জীৱন শৈলী, দীঘলীয়া সময়জুৰি অস্বাস্থ্যকৰ খাদ্য গ্ৰহণ, ব্যায়াম নকৰা আদি আদিৰ বাবে হয়। নতুন দিল্লীত আজি এই দিৱস উপলক্ষে  the Institute of Liver and Biliary Sciences  স্বাস্থ্যবান যকৃত স্বাস্থ্যৱান ভাৰত শীৰ্ষক অনুষ্ঠানৰ আয়োজন কৰিছে। গৃহমন্ত্ৰী অমিত শ্বাহ এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই বছৰ বিশ্ব যকৃত দিৱসৰ মূল বিষয়বস্তু হৈছে খাদ্যই ঔষধ।

০০০০০০০০০

কানাডাৰ হেমিল্টন অন্তাৰিঅ'ত এগৰাকী ২১ বছৰীয়া ভাৰতীয় ছাত্ৰী হৰছিমৰত ৰান্ধৱাৰ বাছলৈ ৰৈ থকা অৱস্থাত অচিনাক্ত লোকৰ গুলী লাগি মৃত্যু হয়। তেওঁ মহাওক কলেজৰ ছাত্ৰী আছিল আৰু বুধবাৰে সন্ধিয়া তেওঁ কৰ্মক্ষেত্ৰলৈ যাবলৈ ৰৈ থকা অৱস্থাত গুলীবিদ্ধ হয়। ততাতৈয়াকৈ হাস্পতাললৈ ছাত্ৰীগৰাকীক লৈ যোৱা হৈছিল যদিও তেওঁক বচাব পৰা নগ'ল।

০০০০০০০০০

বাংলাদেশৰ দিনাজপুৰ জিলাৰ বিৰাল উপ-জিলাৰ বিশিষ্ট হিন্দু নেতা ভৱেশ চন্দ্ৰ ৰয়ক তেওঁৰ ঘৰৰ পৰা অপহৰণ কৰি নি মৰিয়াই মৰিয়াই দুৰ্বৃত্তই হত্যা কৰে। ঘটনাটো পৰহি সংঘটিত হয়। ৫৮ বছৰ বয়সীয়া ৰয় বাংলাদেশ পূজা উদযাপন পৰিষদৰ বিৰাল গোটৰ উপ-সভাপতি আৰু অঞ্চলটোৰ এজন নেতৃস্থানীয় ব্যক্তি আছিল।

০০০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ, ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ আন এখন খেলত সন্ধিয়া চাৰে ৭ বজাত জয়পুৰত ৰাজস্থান ৰয়েলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে খেলিব।

০০০০০০০০০

সমাপ্ত